**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ পঞ্চম বিষয় ঃ ভাষা-১ (অসমীয়া) প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ পদ্য বা গীত শুনি পঢ়ি বুজি ক'ব আৰু যতি বিৰাম মানি চলি আবৃত্তি কৰিব পাৰিব।
- ⇨ নিজাভাৱ প্ৰকাশ কৰি বাক্য ক'ব পাৰিব।
- ⇨ আবেদন পত্ৰ আৰু চিঠিৰ পাৰ্থক্য বুজিব পাৰিব।
- ⇨ পাঠ বহিৰ্ভূত লিখনি পঢ়িব পাৰিব আৰু প্ৰশ্নোত্তৰ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) অসম আমাৰ ৰূপহী | - | পাঠ নং ১ |
| খ) পখী আৰু মানুহ | - | পাঠ নং ২ |
| গ) অৰূপৰ আবেদন | - | পাঠ নং ৩ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি সৃষ্টি ৰখা হৈছে। ভাষা শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কৌশল হৈছে পঠন।

ছাত্ৰ-ছাত্ৰীৰ মৌখিক ভাষা বিকাশৰ লগত পঠন কৌশলৰ বিকাশ জড়িত হৈ আছে। গুণোৎসৱ আৰু নাচ (NAS) ৰ মূল্যায়নৰ তথ্যৰ পৰা জানিব পৰা গৈছে যে পঞ্চম শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ অন্তৰ্ভুক্ত পদ্য বা গীতসমূহ শুদ্ধকৈ পঢ়িব নোৱাৰে। মাজে মাজে শব্দবোৰৰ উচ্চাৰণত খোকোজা লাগে। পদ্যৰ লগতে গদ্যৰ পাঠবোৰো সলসলীয়াকৈ পঢ়িব নোৱাৰে। ফলত পাঠৰ বোধ আহৰণ কৰিব নোৱাৰে আৰু ফলস্বৰূপে পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিয়াত অপাৰগ হয়।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা -২০০৫ (NCF-2005) তো পঠনৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। ভাষা শিক্ষাৰ মূলক্ষেত্ৰ হিচাপে পঠনৰ ওপৰত গুৰুত্ব দি দেখা গৈছে যে বিদ্যালয়ৰ পাঠ্যসূচীত তথ্যৰ বোজা আৰু মুখস্থ কৰা অনুশীলনৰ ওপৰত বেছি গুৰুত্ব দিয়াত পঢ়াৰ আনন্দ ছাত্ৰ-ছাত্ৰীয়ে হেৰুৱাই পেলাইছে। NCF-2005 ৰ পৰামৰ্শৱলীয়ে বিদ্যালয়ৰ প্ৰতিটো স্তৰতে ব্যক্তিগত পঠনৰ সুবিধা দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

পঠন স্বাভাৱিকভাৱে আয়ত্ত কৰিব পৰা দক্ষতা নহয়, ইয়াক যথেষ্ট প্ৰচেষ্টা আৰু অনুশীলনেৰে আয়ত্ত কৰিব লাগিব। সেয়েহে পঠন দক্ষতা আয়ত্ত কৰাৰ ক্ষেত্ৰত দেখা দিয়া দুৰ্বল দিশসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায় কৰিববৈলে শ্ৰেণীকক্ষত প্ৰয়োজনীয় ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত পৰিমাণৰ অনুশীলনৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত। সেয়েহে পঠন কৌশল বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু নতুন ক্ৰিয়া-কলাপ এই সমল সামগ্ৰীত সন্নিৱিষ্ট কৰা হ'ল। শিক্ষক-শিক্ষয়িত্ৰীসকলে এই সমলৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

ভাষা শিকনত পঠন কৌশলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

- ⇨ ভাষা শিকন বুলিয়েই নহয়, বিদ্যায়তনিক সকলোবোৰ বিষয় শিকিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতাৰ প্ৰয়োজন।
- ⇨ পঠন দক্ষতাৰ অভাৱত পাঠ্যপুথিৰ আন-আন বিষয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোযোগ কমি যায়।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা উন্নত নহ'লে চিন্তা-চৰ্চা কৰাৰ দক্ষতা সীমিত হৈ থাকে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম?**

এই সমলখিনি অধ্যয়ন কৰি শিক্ষক হিচাপে আমি পঠন দক্ষতা বিকাশৰ বাবে

- ⇨ সকলো ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে পাঠৰ লগত সংগতি থকা ক্ৰিয়া-কলাপ, অনুশীলনৰ আগতীয়া পৰিকল্পনা কৰিব পাৰিম।
- ⇨ আৰম্ভণিৰ পৰা সঠিকভাৱে পঠনৰ ওপৰত গুৰুত্ব দিবলৈ চেষ্টা কৰিব পাৰিম।
- ⇨ পঠনৰ দুৰ্বল দিশসমূহ চিনাক্তকৰণ কৰি বাৰে বাৰে অভ্যাস অনুশীলনৰ যোগেদি দুৰ্বলতাসমূহৰ দূৰীকৰণৰ বাবে চেষ্টা কৰিব পাৰিম।
- ⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত পঠন কৌশলৰ অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বিকাশৰ লগতে স্ব-মূল্যায়ন কৰিবলৈ সুবিধা পাম।
- ⇨ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উচ্চাৰণেৰে পাঠৰ গীত, পদ্য আদি পঢ়িব পৰা হ'ব।
- ⇨ অনুশীলনৰ জৰিয়তে যিকোনো পাঠ্যপুথি পাঠ পঢ়িব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।
- ⇨ চিঠি, আবেদন পত্ৰৰ পাৰ্থক্য পঢ়িলেই বুজি পোৱা হ'ব।

এই সমল সামগ্ৰী প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল, পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঠনৰ শিকন ঘাটি পূৰাবৰ বাবে শ্ৰেণীকোঠাত যাতে নতুন কাৰ্যব্যৱস্থা ল'ব পৰা যায়, তাৰ বিষয়ে অৱগত কৰা।

এই সমল সামগ্ৰীত ১, ২ আৰু ৩ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে শিক্ষণ-শিকন প্ৰক্ৰিয়াক বেছি ফলপ্ৰসূ কৰিব পৰাকৈ বিভিন্ন ব্যৱস্থাৰ পৰামৰ্শ দিয়া হৈছে।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উচ্চাৰণ কৰি পদ্য আবৃত্তি কৰিব পাৰিব। | পাঠ্যপুথি ঃ অংকুৰণ (পঞ্চম ভাগ) | দলগতভাৱে, যুৰীয়াভাৱে, এককভাৱে | তলত দিয়া গীত/কবিতাৰ দফাটো আবৃত্তি কৰা—<br>"অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ,<br>ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।<br>গোটেই জীৱন বিচাৰিলেও<br>অলেখ দিৱস ৰাতি<br>অসম দেশৰ দৰে নেপাওঁ<br>ইমান ৰসাল মাটি।" | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| খ) শব্দ গঠন কৰি উচ্চাৰণ কৰিব পাৰিব | পাঠ্যপুথি ঃ অংকুৰণ (পঞ্চম ভাগ) | দলগতভাৱে, যুৰীয়া ভাৱে, এককভাৱে | তলত দিয়া শব্দৰ কাৰ্ডবোৰত থকা শব্দবোৰ উচ্চাৰণ কৰা।<br>শৰৎ / প্ৰণিপাত / লোহিত্য / লখিমী / ভৱিষ্যৎ | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| গ) যতি চিহ্নৰ প্ৰয়োগ কৰি পঢ়িব পাৰিব। | পাঠ বহিৰ্ভূত লেখা | দলগত/একক ভাৱে | তলৰ দফাটোৰ কথাখিনি যতিচিহ্নৰ প্ৰয়োগ কৰি সৰৱ পঠন কৰা।<br>অসমৰ কেইবাখনো নগৰ এই নদীৰ পাৰতে গঢ়ি উঠিছে। এইবোৰৰ ভিতৰত গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ, ধুবুৰী আদিয়েই প্ৰধান। পৃথিৱীৰ আটাইতকৈ ডাঙৰ নদী-দ্বীপ মাজুলী। এই মাজুলী ব্ৰহ্মপুত্ৰৰে সৃষ্টি। বাৰিষা কালত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানীভাগ ওফন্দি উঠে। তাৰ ফলত বানপানীৰ সৃষ্টি হয়। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

প্ৰস্তুতি ঃ শিক্ষণ-শিকন সামগ্ৰী

- ⇨ শব্দ কাৰ্ড
- ⇨ বৰ্ণ কাৰ্ড
- ⇨ পাঠ্যপুথি
- ⇨ পাঠ্যপুথি বহিৰ্ভূত পাঠ।

লিলি বায়ন বৰপেটা জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেওঁ শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগত ভাব-বিনিময় কৰি ধৰিব পাৰিলে যে, — সিহঁতৰ পঠনৰ ক্ষেত্ৰত যথেষ্ট দুৰ্বলতা আছে। আগৰ প্ৰতিটো শ্ৰেণীতে পঠনৰ ওপৰত গুৰুত্ব দি অহা হৈছে যদিও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঠনৰ ক্ষেত্ৰত কিছু সমস্যা আছে। তেওঁলোকে পাঠবোৰ সল-সলীয়াকৈ পঢ়িব পৰা হোৱা নাই. যাৰ বাবে তেওঁলোকে পাঠটো পঢ়ি তাৰ অৰ্থ উদ্ধাৰ কৰিব নোৱাৰে। এই ঘাটিসমূহ আঁতৰাবৰ বাবে লিলি বাইদেৱে ১ নং পাঠৰ আলমত কেনেধৰণৰ পৰিকল্পনা কৰি সেইবোৰ শ্ৰেণীকক্ষত প্ৰয়োগ কৰি সফল হৈছিল চাওঁ আহক। "মই পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে পাঠদান কৰিবলৈ গৈ দেখিছিলোঁ যে, ছাত্ৰ-ছাত্ৰীসকলৰ কিছুসংখ্যকে পাঠবোৰ সলসলীয়াকৈ মাতিব নোৱাৰে। বিশেষকৈ দীঘল শব্দবোৰ সিহঁতে একেবাৰতে উচ্চাৰণ কৰিব নোৱাৰে। ভাঙি-ভাঙি পঢ়ে। যাৰ বাবে পাঠৰ বিষয়বস্তু বোধগম্য নহয় আৰু লিখনতো ভুল থাকি যায়। সেয়ে মই পাঠ নং ১ 'অসম আমাৰ ৰূপহী' পাঠটোৰ সহায় লৈ পঠন দক্ষতাৰ বিকাশৰ কৌশল হাতত ল'লোঁ। পোনতে মই গীতটো নিজে গাই শুনোৱাৰ উপৰি টেপৰেকৰ্ডাৰৰ সহায়ত গীতটোৰ বাণীবদ্ধ ৰূপ শুনালোঁ। তাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক গীতটো পঢ়িবলৈ দিলোঁ। এজন এজনকৈ সৰৱ পঠন কৰোঁতে, আনবোৰেও মনোযোগেৰে শুনি গ'ল। সিহঁতৰ খোকোজা লগা শব্দবোৰ বোৰ্ডত লিখি দি মই পুনৰ নিজে উচ্চাৰণ কৰি গ'লোঁ। পাঠটোৰ শব্দবোৰ কাৰ্ডত লিখি দি, শব্দবোৰ বেৰত আৰি দি মাতিবলৈ দিছিলোঁ। যিবোৰ শব্দ উচ্চাৰণ কৰোঁতে বৰ্ণবোৰ খোকোজা লাগিছিল, সেই বৰ্ণবোৰ কাৰ্ডত লিখি আনি সিহঁতক দিছিলোঁ আৰু বৰ্ণবোৰ উচ্চাৰণ কৰিবলৈ দি সেই বৰ্ণৰে শব্দ গঠন কৰিবলৈ দিছিলোঁ। পাঠটোৰ প্ৰতি আকৰ্ষণ

কৰিবৰ বাবে পাঠটোৰ লগত সম্পৰ্ক ৰাখি অসমৰ বিভিন্ন প্ৰাকৃতিক দৃশ্য দেখুৱালোঁ।

সেইদৰে ২ নং পাঠ ‘ পখী আৰু মানুহ’ পাঠটোৰ কাহিনী গল্প আকাৰে কৈ পাঠটো পুনৰ সৰব পঠন কৰি দিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে মনোযোগেৰে শুনি গ’ল। তাৰ পিছত মই সিহঁতক পঢ়িবলৈ দিলোঁ। পঢ়োঁতে উচ্চাৰণৰ ওপৰত গুৰুত্ব দিলোঁ। বিশেষকৈ শব্দত থকা ‘ঁ’ ৰ উচ্চাৰণ কেনেদৰে হ’ব লাগে, সেয়া দেখুৱালোঁ। যতি-চিহ্নৰ প্ৰয়োগ পঠনত কেনেদৰে হ’ব লাগে, সেয়াও সিহঁতক দেখুৱালোঁ। দফা দফাকৈ পঢ়িবলৈ দি পাঠটো পঢ়ি কি বুজি পালে, সিহঁতে জানিবৰ বাবে প্ৰশ্নৰ কৰিলোঁ। পাঠটোৰ মূল চাব ‘দুৰ্ভিক্ষ’, ‘গংগাটোপ’ আদি শব্দবোৰ উচ্চাৰণ কৰোঁতে সিহঁতে কিছু টান পাইছিল। উচ্চাৰণবোৰ শুদ্ধ হোৱা নাছিল। সেই শব্দবোৰ বোৰ্ডত লিখি দি বাৰে বাৰে উচ্চাৰণ কৰিবলৈ দিলোঁ আৰু শব্দবোৰ ১০ বাৰকৈ প্ৰত্যেককে বহীত লিখিবলৈ দিলোঁ।

আগৰ পাঠ দুটিৰ দৰেই ৩ নং পাঠ ‘অৰূপৰ আৱেদন’ পাঠটোৰ আধাৰত পঠন কৌশল বিকাশৰ বাবে কাৰ্য প্ৰণালী হাতত ল’লোঁ। এই পাঠটোৰ মাজেৰে ‘আৱেদন’ অৰ্থাৎ দৰ্খাস্ত আদি কেনেদৰে লিখিব লাগে, সেয়া দেখুওৱা আছে। সেয়ে ছাত্ৰ-ছাত্ৰীসকল পাঠটোৰ প্ৰতি আকৰ্ষিত হৈছিল. পাঠটো পঢ়িবলৈ দি আগৰ পাঠ কেইটাৰ দৰেই কঠিন শব্দবোৰ বাৰে বাৰে পঢ়িবলৈ দিলোঁ। নিজাকৈ লিখি অনা চিঠি, দৰ্খাস্তবোৰ শুদ্ধকৰি দি তেওঁলোকক পঢ়িবলৈ দিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে আনন্দমনেৰে শ্ৰেণীটোত থাকিলে আৰু পাঠবোৰ বুজিও পালে।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ দুজনকো বিশেষ গুৰুত্ব দি তেওঁলোকৰ পঠনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক —**

- ⇨ লিলি বাইদেৱে কিয় প্ৰতিবাৰে ছাত্ৰ-ছাত্ৰীসকলক পঠনত উৎসাহ যোগাইছিল।
- ⇨ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ আছিল?
- ⇨ সকলো ধৰণৰ ছাত্ৰ-ছাত্ৰীক সমানে জড়িত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছিল?
- ⇨ ব্যক্তিগত চিঠি আৰু আৱেদনৰ মাজৰ পাৰ্থক্য ক’ত, — সেয়া বুজাবলৈ তেওঁ কি কৰিলে?

**ক্ৰিয়া-কলাপ - ১**

পাঠটোৰ আদান-প্ৰদানৰ অন্তত পাঠৰ অন্তৰ্গত বিষয়সমূহ বুজি ছাত্ৰ-ছাত্ৰীয়ে ক্ৰম অনুসৰি পঠন কৰিব পাৰিছেনে নাই, জানিবলৈ শিক্ষকে এই ক্ৰিয়া-কলাপটো কৰিব পাৰে।

ছাত্ৰ-ছাত্ৰীক পঠনৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ১ নং তালিকাত দিয়া শব্দবোৰ বোৰ্ডত লিখি দিব। যিকোনো এজন ছাত্ৰ-ছাত্ৰীক বোৰ্ডলৈ মাতি আনি শব্দবোৰৰ মাজৰ পৰা এটা এটা শব্দ উচ্চাৰণ কৰিবলৈ দিব। এইদৰে প্ৰতিটো ছাত্ৰ-ছাত্ৰীকে বোৰ্ডলৈ মাতি শব্দবোৰ উচ্চাৰণ কৰিবলৈ দিলে।

**১ নং তালিকা**

| | | | |
|---|---|---|---|
| মঞ্জুৰ | শ্ৰদ্ধা | সৰ্বধনু | গংগাটোপ |
| চিৰিকটি | দুৰ্ভিক্ষ | লোহিত্য | সমাৱেশ |

শুদ্ধভাৱে উচ্চাৰণ কৰিবলৈ অপাৰগ হ’লে শিক্ষকে শুধৰাই পুনৰ পঢ়িবলৈ দিব। সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধভাৱে উচ্চাৰণ কৰিব পৰা হোৱাত সিহঁতক নিজাববীয়াকৈ এটা এটা শব্দ কৈ লিখিবলৈ দিলে।

**দৃঢ়ীকৰণ ঃ**

**ক্ৰিয়া-কলাপ - ২**

পাঠ নং ১, ২ আৰু ৩ ৰ লগতে পাঠ বহিৰ্ভূতভাৱে বাতৰি-কাকত এখন লৈ শ্ৰেণীকোঠাত ১ নং পাঠৰ পদ্যটো আবৃত্তি কৰি মাতিবলৈ দিলোঁ। সেইদৰে, ২ আৰু ৩ নং পাঠৰ পাঠবোৰ দফাকৈ পঢ়িবলৈ দি বুজিব পাৰিছে নে চালোঁ। দিনটোৰ বাতৰি কাকতখন লৈ সিহঁতক এটা এটা বাতৰি পঢ়িবলৈ দিলোঁ।

এই ক্ৰিয়া-কলাপ দুটিত সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে অংশগ্ৰহণ কৰিব পাৰে, তাৰ প্ৰতি শিক্ষকে লক্ষ্য ৰাখিব।

**সাৰাংশ ঃ**

- ওপৰোক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে শব্দৰ শুদ্ধ উচ্চাৰণ কৰিব পাৰিব।
- পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পদ্য, গদ্য পাঠ পঢ়ি বুজিব পাৰিব।
- চিঠিৰ বিভিন্ন ভাগবোৰ জানিলৈ সেইবাৰৰ পাৰ্থক্য বুজি পাব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

- তলত দিয়া কবিতাৰ দফাটো আবৃত্তি কৰা।

“অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।
গোটেই জীৱন বিচাৰিলেও
অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নেপাওঁ
ইমান ৰসাল মাটি।”

- কাৰ্ডবোৰত থকা শব্দবোৰ উচ্চাৰণ কৰা।

| | | | |
|---|---|---|---|
| **শৰৎ** | **প্ৰণিপাত** | **লোহিত্য** | **লখিমী** |
| **ভৱিষ্যৎ** | | | |

- তলৰ দফাটোত থকা যতি চিহ্নৰ প্ৰয়োগ কৰি সৰৱ পঠন কৰা।

“অসমৰ কেইবাখনো নগৰ এই নদীৰ পাৰতে গঢ়ি উঠিছে। এইবোৰৰ ভিতৰত গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ, ধুবুৰী আদিয়েই প্ৰধান। পৃথিৱীৰ আটাইতকৈ ডাঙৰ নদী-দ্বীপ মাজুলী। এই মাজুলী ব্ৰহ্মপুত্ৰৰে সৃষ্টি। বাৰিষা কালত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানীভাগ ওফন্দি উঠে। তাৰ ফলত বানপানীৰ সৃষ্টি হয়।”

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

- ‘অসম আমাৰ ৰূপহী’ পদ্যটোৰ পৰা নতুনকৈ পোৱা শব্দবোৰ বাছি উলিয়াই পঢ়া।
- ‘পখী আৰু মানুহ’ সাধু কথাটো পঢ়ি কি বুজি পাইছা লিখা।
- তলত দিয়া শব্দবোৰ পঢ়া।
  অন্বেষণ, প্ৰতিযোগিতা, অস্তিত্ব, স্বৰলিপি।
- ভাৱবোধক চিন ব্যৱহাৰ কৰি ৫ টা বাক্য সাজি পঢ়া।

**প্ৰসঙ্গ পুথি ঃ**

- পাঠ্যপুথি — অংকুৰণ (পঞ্চম মান)
- চন্দ্ৰকান্ত অভিধান।
- হেমকোষ অভিধান।

******